ব্যৱহাৰৰ সৈতে জড়িত [illegible] ceteris paribus) বুলি মানি লৈ অৰ্থনীতিৰ বিভিন্ন নীতিসমূহৰ ব্যাখ্যা আগবঢ়োৱা হয়। আনহাতে সমষ্টিগত অৰ্থবিজ্ঞানৰ অভিধাৰণাসমূহ অন্য কিছুমান চলক, যেনে— অৰ্থনীতিৰ সৰ্বমুঠ উৎপাদনৰ পৰিমাণ, সম্পদৰ ব্যৱহাৰৰ স্তৰ, ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ, সাধাৰণ দৰস্তৰ আদিসমূহৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়।

সমষ্টিগত অৰ্থবিজ্ঞান আৰু ব্যষ্টিগত অৰ্থবিজ্ঞানৰ মাজত উল্লিখিত যি পাৰ্থক্য এই সকলোবোৰ স্থবিৰ নহয়। পৰিস্থিতি সাপেক্ষে এই পাৰ্থক্যসমূহৰ কম-বেছি পৰিমাণে সালসলনি হ'ব পাৰে।

**সমষ্টিগত অৰ্থবিজ্ঞানৰ পৰিসৰ (Scope of Macro Economics):**

অৰ্থনীতিবিদ কেইন্সৰ বিখ্যাত গ্ৰন্থ "The General Theory of Employment, Interest and Money" ৰ প্ৰকাশৰ পাছৰপৰাই সমষ্টিগত অৰ্থবিজ্ঞানৰ প্ৰযোজ্যতা ক্ৰমান্বয়ে বৃদ্ধি পায়। অৰ্থনৈতিক বিশ্লেষণৰ পদ্ধতি হিচাপে সমষ্টিগত অৰ্থবিজ্ঞানৰ তাত্ত্বিক পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। এই বিষয়ে তলত আলোচনা কৰা হ'ল—

**1. ৰাষ্ট্ৰীয় আয়ৰ মাপ (Measurement of National Income):** ৰাষ্ট্ৰীয় আয়ৰ ধাৰণাৰ জৰিয়তে কোনো এখন অৰ্থনীতিৰ সামগ্ৰিক অৱস্থাটো বুজিবৰ বাবে সমষ্টিগত অধ্যয়নৰ প্ৰয়োজন। 1930 ৰ দশকৰ বিশ্বৰ মন্দাৱস্থাৰ পাচত অৰ্থনীতিত অতিৰিক্ত উৎপাদন আৰু নিবনুৱা সমস্যাৰ কাৰণসমূহ বিশ্লেষণ কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল। ইয়াৰ ফলত ৰাষ্ট্ৰীয় আয়ৰ লগত জড়িত তথ্যসমূহ সংগ্ৰহ কৰা হয়। ৰাষ্ট্ৰীয় আয়ৰ তথ্যসমূহে অৰ্থনীতিৰ কাম-কাজসমূহৰ ভৱিষ্যতৰ বিষয়ে অনুমান কৰাত সহায় কৰে আৰু লগতে ৰাষ্ট্ৰীয় আয় অৰ্থনীতিৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত কেনেদৰে বিতৰণ হৈছে সেই বিষয়ে জনাত সহায় কৰে।

**2. অৰ্থনীতিৰ কাৰ্যাৱলী বুজাত সহায়ক হয় (To Understand the Working of the Economy):** সমষ্টিগত অৰ্থনৈতিক চলকসমূহৰ অধ্যয়নে কোনো এক অৰ্থনীতিৰ কাৰ্যাৱলীৰ বিষয়ে বুজাত সহায় কৰে। মুঠ আয়, উৎপাদন, নিয়োগ আৰু সাধাৰণ দৰস্তৰ আদিবোৰৰ আচৰণৰ লগত অৰ্থনীতিৰ সমস্যাসমূহ জড়িত হৈ থাকে। এই সকলোবোৰ চলক সমষ্টিগত অৰ্থবিজ্ঞানৰ অধ্যয়নৰ অন্তৰ্গত। এই চলকসমূহ পৰিসাংখ্যিকীয়ভাৱে গণনা কৰিব পাৰি আৰু সেয়েহে অৰ্থনীতিত এই চলকসমূহৰ প্ৰভাৱ বিশ্লেষণ সম্ভৱপৰ হয়। এই বিশ্লেষণ সমষ্টিগত অৰ্থবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্গত।

**3. অৰ্থনৈতিক নীতি (Economic Policies):** সমষ্টিগত অৰ্থবিজ্ঞানে অৰ্থনৈতিক নীতিসমূহৰ বিষয়ে অধ্যয়ন কৰে। বৰ্তমান সময়ত কল্যাণকামী ৰাষ্ট্ৰসমূহে বিভিন্ন ধৰণৰ অৰ্থনৈতিক সমস্যাসমূহৰ সন্মুখীন হ'বলগীয়া হয়। কিছুমান উল্লেখনীয় সমস্যা হ'ল— জনসংখ্যাৰ বিস্ফোৰণ, মুদ্ৰাস্ফীতি, লেন-দেনৰ উদ্বৃত্ত, অৰ্থনীতিৰ উৎপাদন ইত্যাদি। চৰকাৰে বিভিন্ন নীতি নিৰ্ধাৰণৰ জৰিয়তে কেনেদৰে এই সমস্যাসমূহ সমাধান কৰিব পাৰে এই বিষয়ে সমষ্টিগত অৰ্থবিজ্ঞানে অধ্যয়ন কৰে।

**4. নিয়োগৰ স্তৰ (Level of Employment):** অৰ্থনীতিবিদ কেইন্সে নিয়োগ সম্পৰ্কে যি তত্ত্ব আগবঢ়াইছিল সেই তত্ত্ব সমষ্টিগত অৰ্থবিজ্ঞানৰ অন্তৰ্গত এক গুৰুত্বপূৰ্ণ বিষয়। এখন অৰ্থনীতিৰ নিয়োগৰ পৰিমাণ নিৰ্ভৰ কৰে সক্ৰিয় চাহিদাৰ ওপৰত। আকৌ সক্ৰিয় চাহিদা নিৰ্ভৰ কৰে সামগ্ৰিক যোগান আৰু চাহিদাৰ ওপৰত। আনহাতে নিবনুৱাৰ সমস্যাৰ সৃষ্টি হয় যেতিয়া সক্ৰিয় চাহিদাৰ পৰিমাণ হ্ৰাস পায়। গতিকে নিয়োগ সৃষ্টিৰ বাবে সক্ৰিয় চাহিদাৰ পৰিমাণ বৃদ্ধি কৰাটো প্ৰয়োজন আৰু ইয়াৰ বাবে অৰ্থনীতিত মুঠ বিনিয়োগ, মুঠ উৎপাদন, মুঠ আয় আৰু উপভোগৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। এইক্ষেত্ৰত সমষ্টিগত অৰ্থবিজ্ঞানৰ অধ্যয়নে আমাক

সহায় কৰিব।

**5. অৰ্থনৈতিক বৃদ্ধি (Economic Growth):** সমষ্টিগত অৰ্থবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত আন এটা আলোচ্য বিষয় হ'ল অৰ্থনৈতিক বৃদ্ধি। অৰ্থনৈতিক বৃদ্ধি হ'ল সমষ্টিগত অৰ্থবিজ্ঞানৰ এক প্ৰাথমিক ধাৰণা যাৰ ওপৰত নিৰ্ভৰ কৰি কোনো এখন অৰ্থনীতিৰ সম্পদৰ উদ্‌ঘাটন তথা ব্যৱহাৰ আৰু অৰ্থনীতিখনৰ সামগ্ৰিক সামৰ্থ্যৰ বিষয়ে জানিব পাৰি। উপযুক্ত পৰিকল্পনাৰ প্ৰস্তুত আৰু প্ৰয়োগৰ জৰিয়তে অৰ্থনীতিৰ ৰাষ্ট্ৰীয় আয়, উৎপাদন, নিয়োগ বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়, কিয়নো ইয়াৰ জৰিয়তে অৰ্থনৈতিক বৃদ্ধিৰ হাৰ তীব্ৰতৰ কৰি তুলিব পৰা যায়।

**6. মুদ্ৰাগত বিষয়সমূহ (Monetary Issues):** এখন অৰ্থনীতিৰ মুদ্ৰাৰ লগত জড়িত বিভিন্ন বিষয়সমূহ সমষ্টিগত অৰ্থবিজ্ঞানে অধ্যয়ন কৰে। দেশীয় মুদ্ৰাৰ মূল্যৰ সঘন পৰিৱৰ্তন, মুদ্ৰাস্ফীতি বা অৱস্ফীতিয়ে অৰ্থনীতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। এইবোৰ নিয়ন্ত্ৰণ কৰিব পৰা যায় বিভিন্ন ধৰণৰ মুদ্ৰানীতি, ৰাজস্ব নীতি আৰু প্ৰত্যক্ষ হস্তক্ষেপৰ জৰিয়তে। সমষ্টিগত অৰ্থবিজ্ঞানে এই সকলোবোৰ দিশ সাঙুৰি লয়।

**7. বাণিজ্যিক চক্ৰ (Business Cycle):** সমষ্টিগত অৰ্থবিজ্ঞান বিকাশৰ লগত বিশ্বৰ মন্দাৱস্থাৰ আঁৰৰ কাৰণসমূহৰ যথেষ্ট গুৰুত্ব আছে। গতিকে অৰ্থনীতিৰ উত্থান-পতনৰ ঘটনা তথা ইয়াৰ কাৰণসমূহ সমষ্টিগত অৰ্থবিজ্ঞানৰ এক অতি গুৰুত্বপূৰ্ণ বিষয়। সমষ্টিগত অৰ্থবিজ্ঞানে এই বিষয়বোৰ অধ্যয়ন কৰাৰ লগতে এইবোৰৰ সমাধান আগবঢ়াবৰ বাবে চেষ্টা কৰে।

সমষ্টিগত অৰ্থবিজ্ঞানে ৰাষ্ট্ৰীয় আয়, উৎপাদন, বিনিয়োগ, সঞ্চয়, উপভোক্তাৰ স্তৰ আদিবোৰৰ আচৰণ অধ্যয়নৰ জৰিয়তে অৰ্থনীতি সম্পৰ্কে থকা আমাৰ জ্ঞান সমৃদ্ধ কৰে। ইয়াৰ উপৰি ই অৰ্থনীতিৰ বিভিন্ন সমস্যাসমূহ, যেনে— নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি, অৰ্থনৈতিক অস্থিৰতা আদিবোৰৰ সমাধান আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

## সমষ্টিগত অৰ্থবিজ্ঞানৰ সীমাৱদ্ধতা (Limitations of Macro-Economics):

সমষ্টিগত পদ্ধতিসমূহৰ প্ৰতি অতিমাত্ৰা পূৰ্ব ব্যস্ততাই এই পদ্ধতিৰ আহিলাসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব পাৰে। কিন্তু এইখিনিতে উল্লেখযোগ্য যে সমষ্টিগত অৰ্থনৈতিক পদ্ধতিসমূহৰ বিশ্লেষণাত্মক গুৰুত্বতা কিন্তু সন্দেহমুক্ত। যদিওবা সমষ্টিগত অৰ্থবিজ্ঞানৰ কিছু সীমাৱদ্ধতা আছে কিন্তু ই সমষ্টিগত পদ্ধতিসমূহক অপ্ৰাসংগিক কৰি নোতোলে। সামগ্ৰিক মানসমূহ ব্যক্তিগত বা একক মানসমূহৰ সমষ্টি বুলি মানি চলাৰ যি প্ৰৱণতা ইয়াৰ ফলতেই সমষ্টিগত অৰ্থবিজ্ঞানৰ